91°/N.B
1159

পাহাৰীবাই

মহেন্দ্ৰ বৰুৱা

Nobin [illegible] Lib.
1.11.64



পোহাৰী বাঈ

মহেন্দ্ৰ বৰুৱা

প্ৰকাশিকা :
শ্ৰীমনোৰমা বৰুৱা
গুৱাহাটী

প্ৰথম প্ৰকাশ
বহাগ, ৫১৩ শকাব্দ

প্ৰকাশিকাৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত

প্ৰচ্ছদপট :
শ্ৰীহীৰামণি গোস্বামী

মুদ্ৰক :
ইষ্টাৰ্ণ প্ৰিণ্টাৰ্চ
গুৱাহাটী

বেচ :
পকাবন্ধা— ৩৲
কেচাবন্ধা—২৲

॥ অৰ্পণ ॥

পঢ়ুৱৈ সমাজৰ হাতত

—মহেন্দ্ৰ

আমাৰ এআমাৰ

নাগৰিক জীৱনৰ কঁাইটীয়া আঁচোৰণীবোৰ পাহৰিবলৈ মাজে সময়ে গাওঁৰ হাটবজাৰ কৰা অভ্যাস মোৰ আছে। এই হাটত কিনা বেচাৰ মাজত পুৰণি সুস্থ অসমীয়া সমাজৰ প্ৰতিচ্ছবি এখনি এতিয়াও চকুত নপৰাকৈ নাথাকে। তাকে দেখি বৰ সুখ পাওঁ, কিয়নো আমি সকলে এৰি অহা গাওঁৰ আড়ম্বৰ বিহীন দিনবোৰ আকৌ এবাৰ ঘূৰাই চাবলৈ সুযোগ পাওঁ। ১৯৫৯ চনৰ আঘোণ মাহ। সন্ধিয়া প্ৰায় ৫ বাজিছে। মাছপুঠি, শাক, পাচলি কিনো বুলি গধূলি বজাৰত সোমাইয়েই শুনিলোঁ।—

"বেটা পয়চা নাই যদি মাছ চুইচ কিয় ?
থৈদে মাইনে গিযানে!"

কি কঠুৱা মাত! অথচ সি যেন একো শুনাই নাই—অচিন মানুহ জন লাহে লাহে আঁতৰি গ'ল। মাছৰ ওচৰ পাইয়ে আকৌ শুনিলোঁ,—মোকে ভাবি কৈছে নিশ্চয়—

"নিবিনেকি মাছ? নে ভাগত পাচ অনা, টকাত চাৰিউ ভাগ ল" বুলিয়েই পাত এখিলাত মাছ খিনি গোটালে। পোহাৰৰ পৰা ভাল পুঠি আৰু কেইটামান দিলে। টকাটো দি ক্ষন্তেক ৰৈছোহে— লঘোনী বাই ঘপকৈ খিয় দিলে। মোৰ পিনে চাই "আহচু মাছ কিতা মইএ তুলি দিউ" বুলি কৈ গাড়ীৰ ফালে আগ বাঢ়িলে। মইও গাড়ীত উঠি আৰু দু অনা পয়চা যাচিলোঁ। "থৈদে তোৰ পয়চা, মাছৰ দাম লৈছো নহয়—" এই বুলি কৈয়ে গুচি গ'ল। এই ঘটনাৰ বহুল তাতপৰ্যাৰ ওপৰত হোৱা ভাবৰ বুৰবুৰণিয়েই পোহাৰীবাই লিখাৰ সমল।

অসম্পূর্ণ কালতে বহুতো বন্ধু-বান্ধৱক টানি আনি পঢ়ি শুনাই আমনি কৰিছিলোঁ। পঢ়ি-শুনি উদগণি দিওঁতা সকলো বন্ধুকে কৃতজ্ঞতা জনালোঁ। তাৰে মুনত পৰা কেইজনমান সৰ্ব্বশ্ৰী কেশৱ নাৰায়ণ দত্ত, মাধব গোস্বামী, সত্যব্ৰত হুকন, নগা হাজৰিকা মাধৱ দাস, কেশৱ বৰা, গিৰিশ দেউৰী, জগত বৰুৱা, জামিনী দা, কাশীভট্ট কল্প, আৰু মৰমৰ ৰামচৰণ তাৰিণী ইবা উমেশ, অমূল্য, জাহিদ, হেম, হীৰা, অৰূপ, কুসুম। আৰু এজন আছে— শ্ৰীনগেন্দ্ৰ নাথ চৌধুৰী। পঢ়ি থাকোঁতে চকুৰ পানী গিৰ্ গিৰ্ কৈ বাগৰি পৰিল। এনেহেন দৰদী হিয়াৰ নিপোটল চেনেহ কোনোবাই পাহৰিব পাৰেনে? পোহাৰীয়ে হলে নেপাহৰে।

ইয়াৰ পিচত অধ্যাপিকা নিৰ্ম্মলপ্ৰভা বৰদলৈয়ে এদিন পোহাৰীক পাই নতুন সাজপাৰ পিন্ধাই সজাই পৰাই শুৱনী কৰি তুলিলে। তেখেতৰ কষ্টৰ শলাগ ললোঁ। এনে অৱস্থাত আমাৰ জনপ্ৰিয় শিক্ষাবিদ শ্ৰীহেম বৰুৱা দেৱে পোহাৰীক দেখা পাই বৰ ৰং পালে, আৰু তেখেতৰ সংবেদনশীল অন্তঃকৰণৰ পৰা নিজৰি অহা কাল্পনিক ৰঙেৰে তুই এটা আঁচ মাৰি পোহাৰীক জীৱন্ত কৰি তুলিলে। তেখেতকো আমাৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সৰ্ব্বশেষত আমাৰ বাংঢালী মনোৰমাই নিজে সাজি-কাচি পোহাৰ মূৰত লৈ পোহাৰীৰ ভাগত বেটুপাততে থিয় হৈ আমাক স্কেচ, বিচৰা কষ্টৰ পৰা অব্যাহতি দিলে।

এতিয়া বাকী থাকিল পঢ়ুৱৈ সমাজ। তেওঁলোকৰ ওপৰত পোহাৰী বাই বিচাৰাধিনা হৈ ৰ'ল।

গুৱাহাটী—

২৬ বহাগ, ৬২ চন। —মহেন্দ্ৰ বৰুৱা

৫১৩ শঙ্কাৰাব্দ

১৯৬২

চিনাকি

ব্যৱসায় জীৱনৰ তীব্ৰ সংঘাত আৰু কৰ্ম্ম-ব্যস্ততাৰ মাজতো যে কবিতাৰ ফল্গুধাৰা কোনো কোনো ক্ষেত্ৰত শুকাই নিশ্চিহ্ন হৈ নেযায়, তাৰেই পাৰপত্ৰ মহেন্দ্ৰ বৰুৱাৰ "পোহাৰী বাই" এই প্ৰচেষ্টাৰ অন্তৰালত আছে জীৱন অভিজ্ঞতা। এইবাৰ কথা ধৈৰ্য্যশীল পাঠকৰ চকুত ধৰা নপৰাকৈ নেথাকে। অৱশ্যে প্ৰচেষ্টাৰ সাৰ্থকতা জুখি চোৱাৰ অধিকাৰ পাঠকৰহে,— আনৰ নহয়।

আৰ্চ্চিৰ ভগ্ন-স্তূপৰ মাজত আকস্মিক ভাবে নীলকান্ত মনি আৱিস্কাৰ হোৱাৰ দৰে কবিৰ ছন্দ-প্ৰচেষ্টাৰ মাজতো একোটা দেশ-প্ৰেম উদ্বেলিত ছন্দ-জোকাৰ ঠায়ে ঠায়ে চকুত নপৰাকৈ নেথাকে। যেনে :

পোহাৰী বাইৰ কৃষ্টি জঞ্জাল
অসমী আইৰ লুপ্ত কঙ্কাল
তাতে জাঁহি ফুৰে।

সেইদৰে "বিহুৰ দিন" কবিতাটোত আছে—

ৰঙালি বিহুৰ মধুৰ ছবিটি
আলিবাটে আঁকি যায়
বিহুৱান লৈ মৰমী আবুই
নাতিনীক দিবলৈ যায়।

সৰ্ব্বশেষত নিৰ্ম্মল আকাশত সঙ্গীহীন তৰাটি উজলি উঠাৰ দৰে কৰিব নিৰ্ম্মল-জ্যোতি অন্তৰ-আকাশত প্ৰণয়ে বিজুলী খেলি গৈছে। ইয়াৰ প্ৰকাশ পোনপটীয়া। যেনে:

প্ৰেম মদিৰা পিয়লা ভৰাই
তাৰে এঢোক ঢালি দিলে
জীৱন-তৃষ্ণা মিতি যাব
আৰু এপেচ খুলি দিলে
পৰম ক্ষুধা অন্ত হব।

মুঠতে সকলো প্ৰচেষ্টাই প্ৰশংসনীয় বস্তু। মহেন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ প্ৰচেষ্টাও সেই ফালৰ পৰা প্ৰশংসাৰ বস্তু। সোৱনশিৰিৰ বানত খাগৰী-জাজীৰ লগতে সোনগুৰি উটি আহি ৰেখাপাত কৰাৰ দৰে বৰুৱাৰ প্ৰচেষ্টায়ো ৰেখাপাত কৰক,—ইয়াকে কামনা কৰিলোঁ।।

৪ এপ্ৰিল: ১৯৬২ • চন

গোহাৰীবাঈ

হুল্‌কল্‌ কৈ কলৈনো যায়
    হয়নে হেৰৌ পোহাৰী বাই ?
পাহাৰ খুলি দিয়াছো বাই
    চাও ভাল মাছ আছে কি নাই ?

"এ— নাই এ পিতা ভাল মাছ
    চাটক নিলে বেচা যাব
পিয়াদাই পালে বাটে পথে
    ভাল মাছ টোকে কাঢ়ি নিব ।"

ভেট ফুল খোপাই উঠিলে হাঁহি
    কাৰৈয়ে শুনিলে কাণ পাতি ;
ভেদগেলীকাৰ গেলা গোজত
    গবৈ ককাইৰ উশাহ চুটি ॥
ভেনী মাখিৰ জাকৰ মাজত
    লগালে বাইয়ে চাটি ফুটি ॥

"বুকুৰ পিত্তা কি লাগে কৌ
—পয়চা ছুটা দিবিনে চাউ
সেলুক মৌকা সোপাকে লৌ।
মাছ কেইভাগ লাগে কৌ
—তিন পয়চাৰ পুঠি খলি হে
এপোণ কাৰৈ ধান দোনলৈ"

খালৈত ভৰাই তুলি ললো
উচিত মূল্য সোধাই কলো
"ধান ধন লৈ ঘৰক যা
লঙ্কাৰ বণিজ ঘৰতে পা"

কচুৰ পাতত ললে মেৰাই
গেলা পঁচা সোপাই লৈ
ঘৰলৈ হেনো খাবলৈ নিব
খাৰেলি-খাৰ লগত লৈ।

পোহাৰীবাই ৰঙতে যায়
ভৰিয়ে মাটি নেপায় পায়
ভেনী মাখিও হল চেপেটা
আঁচল চাটিৰ কোব খাই।

হঠাৎ কিবা মনত পৰি
পাচ কালতে দিলো গেৰি
উজুটিত বাই উলটি চায়,
কাষলৈ মই গলো লৰি।

"ৰহ ৰহ মোৰ বুকুৰ বাই
কথা এটা পাহৰিলো
কাষ্‌ল'টিৰ হেলচী মুঠা.
দি যা তাকো লেঠা মাখো "

হেন্ কেন্ কৈ বাইটি এ-চোন
উলটি ঘুৰি ফিৰি চায়
দপিল মাৰি কোঁচ লৈ কয়—
"হেলেচী তোৰ লৈ এই
পানী শাকৰ দাম নালাগে
ভাই-ভনীৰ মূল যে এই"

মনৰ আবেগ লুকাই থৈ
ঠেৰেঙা লাগি ৰলো চাই
চকুৰ পানীৰে ওলগ দিলো
বাংঢালী বাইৰ ঢংটি চাই ।

খংনো বাইৰ হঠাৎ কিয়
চুলিৰ আগ পালে গৈ,
মুখত তিতা পেটত মিঠা
মাতিলে মুখ ভেকেটাই ।

"কৰ নো হেৰ ভাই অ' ভই
বুকুৰ মঙহ খাব ঐ
কলিজাৰ তেজ সানি কিয়
চকুৰ পানী মোচ ঐ,

কিনা বেচাৰ মাজত কিয়
বুকুৰ মৰম যাচ ঐ,
মিছাতে কিয় ধ্যুইটি বুলি
পানীৰ মিঠৈ সান ঐ ?"

"বুকুৰে বাই কাৰো কৰো
তেনে কথা নকবি ঔ
মৰমৰ হাত নেথাকিলে
অসমভূমি নেথাকে ঔ ।
অসমী আইৰ গুপুত পেৰা
শুদ্ধ নীতি চেনেহ ভৰা
হৃদয়-বৃত্তি অসীম জোৰা
সেইহে আজি সৰ্ব্বহাৰা ।"

* * *

ক'ত সেই আজি সাত পুৰুষৰ
মূলধন খিনি কোনে খায়,
থকা ভুকুকাৰ পুণেকা পাই
ঠগি লৈ বা কোনে যায় !
লাউৰ খোলাত লুকাই থোৱা
পুৰাণ মুকুতা খাও ধুই
বিনাশিলে কোনে বা তাক
মনত উমি উঠে জুই ।

ভাইৰ হৃদয় ভাঙিলে কোনে
উকা মৰম দেখুৱাই
হাঁহিটি বাইৰ হেৰাল কা ক'ত
প্রবঞ্চনাৰ ঠগ খাই ॥
বেচা-কিনাৰ পিশাচ আহি
মৰমৰ হাত চুহি খায়
আইৰ বুকুৰ মৰম খিনি
পপীয়া হৈ উৰি যায় ।
অজগৰৰ বেপাৰী চাল
পেটলৈ বিষ মুখত ভাল
তেজপিয়া হৈ পিযে তেজ
সজ কথাতো লগায় পেচ ।

* * * *

আজি হল সি পুৰাণ কথা
বাইৰ মুখৰ সাধুকথা
হঠাৎ মনটো উৰি যায়—
বাইৰ মুখখন চাবলৈ হাঁয় ।

নতুন কাপোৰ পিন্ধি উৰি
পুৰণিৰ মীত গাওঁ
বিলৰ পাৰৰ আলি বগাই
বাইৰ ঘৰক যাওঁ ।

শোলমাৰী পাওঁত বাইৰ ঘৰ
নাই কাৰো তাত আপোন-পৰ
লাক-পিঠালৈ পুৰিল মন
"চা বাই তোৰ ভাই কোন ?"
আথে-বেথে পোহাৰী বাই
ওলাই আহে লাখুটি লৈ
কপাললৈ তুলি হাত
নিৰিখি চায় কাৰ মাত।

বহুতো পৰ জুমি চাই
সাবোট মাৰি ধৰে বাই
"কবে পৰা ঐ বুকুৰ ধন
শাঁত কৰিলি হিয়াখন ?"

আহচোন ঘৰ মজিয়াত বহ,
বৰ পিৰাখন পাৰি দিওঁ
জিৰাই শাঁতাই লাহে লাহে,
ভাঙি পাতি সকলো কৌ।
হাত মুখ ধুই জলপান ল
পেটৰ কথা পিচতো ক'
দৈ বকাচাউল ঘৰতে নাছে ?
শাঁচনিৰ মিঠৈ সিও আছে।"

বাইৰ আদৰ মুৰত লওঁ।
দেশৰ বতৰা সকলো দিলো।

—সোণৰ সোলেং অসম তৰী
পোতনিত পোত খায়
থাপনা ভাঙ্গি কুপ্তিৰ মিঠৈ
বাৰ ভূতেচোন খাঁয়”—

শুনলে বাই থিয় কাণ
ক’ত আজি মোৰ আইৰ মান
চকুৰ নিমিষ এটাও নাই
কুৱাগণে বাই ঘৰলৈ চাই
চালে বেৰাই থাকিল চাই
ওলমা টোপলি কথা কয়
“বুকৰ ককাই কলৈ যাবি
আমাৰ সাধু শুনি লবি”
পয়চা খোৱা ভুককা কিটা
সুকুতা খোৱা টেকেলি গোটা।

উঘা চেৰেকী ধঁতৰ নেওঠা
অতি চেনেহৰ মাকো কেইটা
গুৰী, শৰখাড়ি, খিলা, চেৰী
ব’ লোৱা চুঙা নাচনী জৰী
পুতলি-ছুটি আৰু ক’ত কি
আছে সকলো চালতে ভাঁজি।
বাইৰ মুখত আটায়ে মাতে
আইৰ দিনৰ কাটনি কাতে।
“কি কম! মোৰ ঘৰৰ কথা
চকুৰ লোৰে বুজাব বেথা।

মোৰ পো যে দিগম্বৰ
মাত কথাত সি হলধৰ,
লিখা পঢ়া ৰব বেচি নাই
তথাপি আগ মেলত যায়
হাল, কাল কোৰ মৈ-জৰী
বেৰৰ মূৰত থৈছে আঁৰি
জাল, জুলকি, একোতো নাই
মুদা মাৰিলে, খৰি খাই
ধাৰ কৰি সি ঘৰ সাজিলে
ফুলাম পৰ্দ্দা আঁৰি ললে
চেক্ৰেটি মেজ আগত লৈ
মাইচা এখনত বহে গৈ।
ডা ডাঙ্গৰীয়াক লাগে ভাগে
চাহ বিস্কুট হাততে লাগে।
কিবা বোলেনো ইজাৰ্দ্দাৰ
কিস্তি মাৰাত লাগে ধাৰ
গাঁঠিৰ ধন ও শেষ কৰিলে
গহনা পাতিৰ মুদা মাৰিলে।
কিনো কম হে বুকৰ ভাই
তথাপি তাৰ নাই হে নাই
ভাবৰ সূতা মনত কাটে
সাধ্য কি তাক কোনে মাতে!
শুনচোন আৰু বোৱাৰীৰ কথা,
শুনিলেতো লাগিবই লেঠা,
ভাইৰো বোলে পেটৰ বিষ,
মূৰ ঘূৰণী দাঁতৰ বিষ।

সকলো লাগে হাতক হাতে,
তথাপি তাইক চকুক নাটে।
কেঢ়া দীপেৰা টোপনী ভাঙে,
শেতেলি এৰে চাহৰ হাঁতে
বাহি-কাম মই নিজে কৰো
চাহ-জলপান হাততে ধৰো।
তথাপি তাইৰ মনত নাই
এধানমান সুখৰ ঠাই।
অকণমানি নাতি এটি
সিও মাতে কটনা কুটি।
হক দে বাপা থাকক বাচি
পিণ্ডৰ থলি বংশৰ চাকি।
এইমানে মোৰ নিজ কথা
পাঙ্চোন বুদ্ধি দেশৰ কথা।"

"মইনো বুদ্ধি কিটো কৰিম
যি আজ্ঞা তোৰ তাকে ধৰিম
সকলো আশা মনত পুৰি
কাষলৈ তোৰ আহিলো লৰি।'

"বৰ ভাল কথা মনত পৰিছে,
মায়াংঅত মোৰ ভিনীহি আছে,
নামটি তাৰ টিলিঙা কায়,
জোলোঙা লোৱা ব্যৱসায়,

বৰ বেজ, গাওঁৰ পুৰাণ ওজা,
ধন্বন্তৰী, ওজাৰ ৰজা,
লগাব পাৰিলে হ'ব ভাল
ভূতৰ যম সি মহাকাল।

ভূত পিশাচ অনুচৰ যত
সকলো মৰি ভস্ম হ'ব
যখ, যখিনী পলাই যাব
দেশৰ সীমা এৰি যাব।"

টিলকা মাৰি পলিত সোমাই
পাত পিতকৈ চায়
বেতৰ জাপাৰ খলপ ডাঙ্গি
আগুৰাণ গাত লয়;
বাঁহ কাকৈৰে সেওঁতা ফালে
জোৎ ভাঙ্গাৰে জোৎ
কাচন কাঁচি ওলাই আছে
চকুৰ পলকত।
বৰ চেলেং বিহুৱান খন
আশীৰ্ব্বাদ দি কয়—
"মূৰৰ চুলিৰ সমান কাল
বাচি থাক মোৰ ভাই"
তাৰ পিচতো এপাক মাৰি
নাতিক চুমা খায়

"বাপা মই যাওঁ ভিনীহিৰ ঠাই"
পুতেকক চাই কয়।
হাত মেলি ধাই লাউটো লয়
বাট মেলাদি যায়
"আহচোন ভাই নকৰ পলম,
চাম কোন ভূতে খায়।"
বাট ফুৰণিত ভাগৰ লাগি
গছৰ ছাঁতে ৰয়
কেচা তামোলৰ পিকটো পেলাই
বল শকতি লয়।
বৰ আলিত গৈ হাওৰা গাৰীত
উঠি লাগিল ভাল
নিমিষতেই এপৰৰ ঠাই
কৰিলে ফাল্ ফাল্।
নগাওঁ উঠিল সেই বেলাতে
নামিল গছৰ ছাঁত
দীঘল খোজত পাৰি দিলে
আলিয়ে দেখাই বাট
বাটকৰা পাই খেও দি ৰয়—
মুখৰ ফালে চায়
চিনা যেন লগাই কথা পাতি
পেটৰ কথা লয়।
"ক বাটকৰা যাবিনো কলৈ
তামোল এখনি খা
টিলিঙা নামৰ ওজা ককাই
ক'ত থাকে কৈ যা।"

"বাটে বাটে যাবি কাকো মুখ নাচাবি
কাজিয়াত নহবি সাক্ষী
এপবৰ বাট উৰামাৰি যাবি
চাৰি আলিৰ মূৰ পাবি,

তাতে বৈ এখন্তেক নিৰিখ কৰি চাবি
যি আলিৰ আগটো কণা
সেই আলিৰ শুংলৈ পাবি যা ঠিৰাংকৈ
ৰৰবাৰী চাহাবে কিনা ।
তাতে গৈ সুধিবি ছেংমতী বাইকে
তাই কৰ টিলিঙাৰ ঘৰ
তাৰ পোৱে নিলে তাইৰ মাটি-বাৰী
তথাপি তাইৰ মন বৰ ।
নগৰৰ বৰ চাহাব টিলিঙাৰ বৰ পো
সিয়ে তাইৰ সকলো নিলে
তথাপিও তাই ভৰিৰ ধুলি লয়
বৰ-বেজক বাটতে পালে ।
সেই অনুসৰি বৰ-বাৰী পালে গৈ
বেলি হালি-জালি যায়
"কৰ মানুহ আহিলি যখিনীৰ ই ঠাই ?"
ছেংমতি কাঁহতে কয় ।

* * *

শুনি আমাৰ কথা বুঢ়ী বাই হাঁহিলে
উৰি গল জীৱনৰ দুখ
পমি হিম হল কলিজাৰ আমঠু
শুনি বাইৰ জীৱনৰ দুখ।

"তিনশমান খোজ যা মুখতে পাবি যা
সাত বন্যা ফুলৰে শাৰী
বাট চ'ৰাত পাবি যা পশ্চিমা লগুৱা
সি কব বৰ-ওজাৰ বাৰী।
ফুলনিৰ লগতে বৰ ঘৰটো দেখিবি—
ৰ' লাগি থাকিবি চাই
ওজাৰ বৰ পুতেক কুমতি জহৰা—
বাপেকৰ গুণ তাত নাই"।

একে চোচা মাৰি তিনশ খোজ পাৰ হল
বত্নাকৰ পোহাৰী বাই
কিবা মনত গুণি চাকৰটোক সুধিলে
"ক'ত থাকে টিলিঙা কাই?"
"মাংতা ক্যা হঁ্যায় বাটাও ক্যা বাত্
বোলতা-নেহী কেঁউ চাক ক্যা বাত্"

"কৰ কুকুৰে মাতে কত
কিবা কয় কটা-কটু
দিমনে কি চৰ লোধাই
চিনিবি কাৰ বেটা মই"

বাইব থং দেখি বিষম মনত গুণি
বতনে আগভেটা কয়—

"নেহি জী দাবোৱান
মিলেগা বিছৱান
বহিন্ কী বাত চোৰো
খেলায়গা খিলিপান
চাক্ চাক্ বাটা দো
বুদ্ধাকো আস্মান্"

"আঁখিয়া খুলকে দেখো উহাঁ
বস্তিকো পিচমে যাও ইহাঁ
ছোট্টী কুঠৰী মিলি যাহাঁ
বুদ্ধাসে মিলোগে যাও উহাঁ"।

———

খুপনি খুপি চাপনি চাপি
বাৰীৰ পাচক যায়
কটাৰী কুটুং ফাটৰী ফুটুং
শব্দ লগত যায়।
ঝি, ঝি ঝি ঝিলয়ে মাতে
তালমাৰি ধৰে কাণ,
মাহাৰ-মুহুৰ জেং-জুং ভাঙ্গে
টিলিঙা ওজাৰ ফাণ।

"কত হেৰা মোৰ ভিনীহিদেউ
ক'ত পাতিলি ঘৰ
হাবিৰ মাজত লুকাই থাকা
কুটুণী বুঢ়ীৰ বৰ।"

এই ক্ষণতে কাণত পৰিল
কোনোবা বুঢ়াৰ কাঁহ
চকুৰ আগত ঠেওদি উঠিল
বুঢ়া আতৈৰ বাঁহ।

"হুহুঙ্কাৰ চাৰি যা লঙ্কাৰ পাৰ
নাহিবি ঘৰ-বাৰী সীমা সঙ্কাৰ।
ওং হ্ৰীং ফট চিফুং ফাং
জানিবি ইমোৰ খাং
ফট্ চাহিটুং বান্ধি পেলাম
জানিবি বেজৰ পাং

মনুষ্য যদি ঘৰলৈ আহে
দাৰু কি লাগে ক ;
কোন ভূতেনো ক'ত ধৰিলে
চাম মই তাৰ গ ।"
কোচ-মোচ খাই পোহাৰী-বাই
ছৰাৰত হাত থয়
মেৰ-মেৰ কৈ ছৰাৰ মেল খাই
মূৰ সুমুৱাই লয় ।

"ভূতো নহওঁ ভূতুনী নহওঁ
লাহতী কইনা তোৰ
জীয়া যমতো ক'ত মৰিলি
চা চোন মুখলৈ মোৰ"

ৰত্নাকৰ, পোহাৰী বাইৰ
চকুচাৰি হল থিয়
উৰ্দ্ধমুখকৈ ভাবি আছে
আছেনে নাই তাৰ জীৱ !
আশীবছৰীয়া বুঢ়া সেই জন
চকুই মুখে কিবা চং
দাঁত নিকতাই চাই থাকে
কিবা কয় বিঙ্ বাঙ্ ।
মূৰ শিতানত গছাৰ চাকিটি
ধিমিক্ ধমাক্ জ্বলে
ৰত্নতো পৰ জুমি জুমি চাই
ছচকু পানীতে গলে ।

তাৰ সি চকুৰ আৰি খেদিগৈ
কিনু ভূতে মোক পালে
বেৰাই চালে মাতিলে মন্ত্ৰ
মুখে মুখে-মন্ত্ৰ গালে ।
টুলুঙা-মোনাই-দোলনিত গায়
বৈদৰ দিনৰে গীত
তাতে ভৰি আছে পুৰণিয়া দাৰু
কৰিছিল বহুতৰ হিত ।
তন্ত্ৰ, মন্ত্ৰ, পুথি নিদানৰ বন্ধু
কৰিছিল আপদৰ নাশ
ক'ত বন-লতাই তালে তালে বিচি
জাৰিছিল বহুতৰ বিষ ।
খিলি-খিলি হাঁহে গাহৰীৰ দাঁতে
কি খাওঁ, কি খাওঁ কৰে ।
ভূত-ভূতুনী ভয়তে পলাই
যখিনী থিতাতে মৰে ।

অলাগী অসমৰ ক'ত বনঔষধি
হাবি বননিত নাচে ।
মাৰলিত বহি জেঠী টিক্‌টিকালে
"আমাৰো সকলো আছে ।"
টিক্‌টিকিৰ লগতে বুঢ়াই ও মাতিলে
কেঢ়াকৈ আমালৈ চায়
মৰা শ জী উঠিল ইনো কি আচৰিত
কিবা দেখো কথা কয় ।
"হয়নে ইজনী আহ কাষ চাপি
ভালকৈ চাও চোঁ মুখ

তই য়ে যদি মোৰ লাহুতী কইনাটি
গুচিল সকলো দুখ।
তোৰে মুখে দেখো কিবা কথা কয়
কিনো আছে তাত মধু
তোকে দেখি কিয় মনে দিয়ে মেলি
অতীত কালৰ সাধু।
যৌৱন জোৱাৰ ৰঙীন দিনৰ
সাধু ভাঁহি ভাঁহি আহে
ক চোন সি সাধু শুনো কাণ পাতি
সপোনে সচিত হৈ ভাঁহে।
মোৰ সি সাধুই অতীতক মাতে
মনত ঢৌ বাগৰি যায়
সেই ঢৌ লাগি উটি-বুৰি যাওঁ
নতুনে পুৰণিক খায়।
আজি মোৰ কি গতি চাই ল তইঁতে
জীৱনৰ কতমান দুঃখ
বৰ পো বৰ মানুহ মোৰ মতে নৰনে
নাজানো কিবা তাৰ সুখ
তাৰ কথা মতে নিদিলো কুদাক
সেই খণ্ডে খণ্ডিলে মোক
নিজৰ অন্নকো নিজে বান্ধি খাওঁ
আৰুনো কিবা কম তোক।
বোৱাৰ কথা শুনি লাহুতী কান্দিলে
ৰতনে থাকিলে চাই
লাহুতী মৰমত মুৰকে পিহিলে
উচুপি উচুপি কয়

"নাকান্দিবি তই মৰমৰ তিনিহি
কান্দিলে হবনো কি ?
পাৰা যদি কৰ দেশৰ হকে কিবা
থাকিবি কালতে জী ।
নিজৰ দেশৰ ভূত বহুতো খেদিলি
বহুতৰ কৰিলি ভাল
আজি চাচোন দেশকেই খায়
আচহু ভূতৰ দল ।
দেশৰ ভাই ৰতনা সমন্ধ নেলাগে
সিয়ে মোৰ সকলো বল
তাৰে সাহ লৈ তোৰ কাষ চাপিছো
কিবা যদি পাওঁ ফল ।"
"সঁচানে লাহতী সঁচানে পাহতী
সঁচানে ৰতনা পো
তহঁতক পালেতো হাতীৰ বল লৈ
দেশকে বান্ধিব পাৰো ।
উঠ সৰু কইনা আৰু পলম নাই
খুদ কণ কিবাকে খা
খাই বৈ লৈয়ে বুদ্ধিকে পাতিম ঐ
সবলে লাগিব গা ।
লাহতী ৰহদৈ উধান পাতিলে
হাততে চকতি লবে
ৰতনে আপুনি কীৰ্ত্তন পুথিলৈ
যোবা দুই আধ্যা পঢ়ে ।
লাহতী ৰন্ধিলী ভাত বাঢ়ি আনিলে
আগলতি পাতত থৈ

মহাবঙ্গ কবি তুজনাক খুৱালে
লখিমী গৃহিণী হৈ ।
খাই বৈ ক্ষন্তেক জিৰাই-শ তাই
বৰ ওজাই লগালে মাত
আজিতেই ওলাম দেশকো বাঙ্কিম
জীৱনটো কৰিও পাত ।

* * *

যুক্তি

নিজম নিশা দোভাগ ৰাতি
যুক্তি কৰে তিনিপ্ৰাণী
হুহুৰ মাতত বুকু লৰে
ফেঁচাই নিওঁ নিওঁ কৰে
কাউৰৰ কা শিয়ালৰ হুৱাত
শিয় ৰি উঠে গাৱ
চিপচিপিয়া বৰষুণত
মনতো কোঁচ খাই যায়
কেচু কুমতি জোক জামতি
গাৰ তলত লুকায় ।
চিনা জোকৰ লিউ লিয়নিত
জিকৰি উঠে গাৱ
জী থকাত কৈ মৰাই ভাল
নবক কুণ্ডৰ ভাৱ ।
আহ ঐ আহ ঐ চিঞৰ শুনো
কাহ পাৰি জিন যায়

যম ডাকিনী সেহাই মাতে
কʼত বা কাৰ মূৰ খায় ।
পানী পৰি বিয়লি যায়
এলাহ্নু পানী সৰে
লাহতী কইনাৰ কাচনি মুখে
ভুতুনীৰ থগ ধৰে ।
সকলো মিলি পাতিছে কিবা
যাদুৰ দেশৰ কথা
দেও ছাগলী সেহাই মাতে
“লাগ ঐ ওলা উঠা ।”
বুঢ়া বৰ বেজ যাদুকৰ তাত
কুট মন্ত্রনা কৰে
পোহাৰী বাইৰ কৃষ্টি জঞ্জাল
অসমী আইৰ লুপ্ত কঙ্কাল
তাতে ভাঁহি ফুৰে ।
এনে আলচ কৰি টিলিঙা ওজাই
উইলখত হাতত লয়
বুকু সুদা কৰি সকলো অৰ্পিলে
অন্তিমৰ সঁহাৰি পাই ।
“চাই ল লাহতী পাই ল ৰত্নাকৰ
সাঁচনিৰ ধন যি মোৰ
ভৰি ভৰি আছে থাপনাৰ পেৰাতে
পাবি তাত সকলো তোৰ
কন্দলি ৰামায়ণ কীৰ্ত্তন ঘোষা পুথি
তন্ত্র মন্ত্র আৰু কত
ছপা, নছপোৱা হাতে লিখা পুথি
সাঁচি পাতে লিখা যত ।

বুকুৰ আশা লৈ সকলো দিলো তোক
কৰিবি সৎ কাৰ্য্য তাৰ
পুৰণিক নতুনকৈ সাজি খুলি দিবি
কৃষ্টিৰ সৌধ দুৱাৰ।
আৰু পলম নাই এলাহ এৰি উঠ
বৰগীত ভটীমা ক,
আবা ধুলি মুঠি বুকুত লওঁ সাবতি
চুঙা ভৰাই ভৰাই থ
ঘোৰা পুথিখন হাতৰ মুঠিত লওঁ
লাওগুৰিৰ টেকেলী ল।"

ৰাতি নৌ পুৱাওঁতে যি বুদ্ধি পাতে
মনক মিঠে কথা কয়
কত বুদ্ধি পাতি, হাতৰ সাৰে-সুৰে
ভৰিৰ সাৰে ওলাই যায়।
এন্ধাৰ বাৰীৰ বাট জোনাকী দেখুৱাই
বাঁহৰ তলত জ্বলে জুই
শেলুঐ ৰেডিয়াম তাৰে জিলিমিলিত
বেঙে পাং জিলিকাই লয়
আগতে টিলিঙা মাজতে লাহতী
ৰত্নাকৰ পাচতে যায়
বাট বুলি বুলি ভাগৰ জুৰালে
দেওথান আগতে পাই।

পুৰণি দেওথান কিবা তাৰ সন্নিধান
সেৱিলে তিনিওজনা
নতুন বস্ত্ৰ গাতলৈ বৰ আলি উঠিলে
বিহুৰ দিন সকলে জানা

মটৰ গাৰীত উঠি মনৰ বেগত যাই
ধুলি কৰে চকু কনা।

*   *   *

বিহুৰ দিন

ৰঙালি বিহুৰ মধুৰ ছবিটি
আলিবাটে আঁকি যায়
বিহুৱান লৈ মৰমী আবুই
নাতিনীক দিবলৈ যায়।
কোনোবা দেশৰ অজান শিল্পী
খেতি পথাৰলৈ চায়
বহাগী বুকুত মৰীচিকা খেদি
ৰং সানিবলৈ যায়
নতুন বোৱাৰী জলকুঁৱৰী তাত
কলহ কাষতে লয়
বিয়ৈ-বিয়ানী মুখামুখি কৈ
বিয়েনী মেলত ৰয়।
ৰঙালী বিহুৰ সঙ্গী সপোন
কবিৰ প্ৰাণৰ ধন
ধুলীয়া চকুত কুঁৱলী ভাহে
মিলন সাগৰ মন।
ভাৰ-ভেটীয়ে লেঠাৰি পাতে
মিতিৰ পাতিব য'ত
গাৰখীয়াই গৰুক মাতে
"ধান খাব যাবি ক'ত?

মেঘালী আকাশ ধুলীয়া বন
যৌৱন জুৰাবী মন
বুৰেনীয়ে গৈ কৰেনী হ'ল
ভুঁই তলীয়াৰ সোণ ।
সোণালী ধানে উপচি পৰিলি
ঢৌত বাগৰি গ'ল
সেই ঢৌতে দাৱনী উটিল
লখিমী হাততে ৰ'ল ।
হঠাতে দেখোন ৰং জগতৰ
বিলটো চিঙি গ'ল
মটৰ গাড়ীৰ থেকেছা লাগি
সপোন ভাঙি গ'ল ।

*　*　*

বনমিন বিয়া

কেঁচা দুপৰতে কাজিৰঙা পালে
টিলিঙাৰ মনতে খং
চকা ফুটি গাড়ী ঠৈহ পাতি ৰ'ল
আৰোহীৰ উঠিলে খং ।
টিলিঙা শুঙাই আলি বাটে বুলি
প্ৰকৃতিৰ শোভাকে চায়
ভেন ভেন কৰি সৰু মাখি উৰি
মুখত পৰি কিবা কয় ।
"আহাহে পেহাটী, আহাহে পেহীটি
আহাছোঁ ৰতনা কাই
আদৰি মাতিলো যাবানে জিৰাই
বনৰে বিয়াকে চাই ?"

মুৰ তুলি চাওঁ দেখো ৰবৰ বাপেক
আহঁত গছ থিয় হৈ আছে
গৃহিণী বটগছে কুঁহিপাত মুৰত লৈ
বাটতে বাতৰি যাচে ।
"আমাৰ বৰ পো নাহৰ বোপাটিৰ
পাতিলো হঠাতে বিয়া
আজি বিহুৰ দিনা বিয়া ৰভাত বহি
আশীৰ্ব্বাদ একেবা দিয়া ।"

পদুলী মুখতে বৰ তোৰণ পাতিছে
সোণাৰু শালৰে খুটি
সিন্ধে, বিন্ধে আদি নানা লতাই শোভে
মাটিতে ফুলনি পুতি ।

এফালে চকীদাৰ বৰ জামু বৰ গছ
বৰ মৌৰ বাঁহ আছে তাত
গুজৰি গুমৰি হুকা-বাধা কৰে
শতৰু সোমালে তাত্ত।
আন ফালে বহিছে বহুৰা ঐ টেঙা
নতুন পাত গজালি মেলে
ফুল হৈ হাঁহিব ফল হৈ মাৰিব
তলতে কাৰবাক পালে।

এখোজ দুখোজ কৰি ভিতৰ সোমাই যাওঁ
মনৰ ভয় মনকে খায়
বুনা হাতীৰ মাতত জীউ লাউ ভাঙ্গে
নাহৰৰ বিয়ালৈ যায়।
বৰ বাঘে গৰজে বহুদূৰৈৰ পৰা
উৎসৱৰ বাজনা বাজে
তালক তালে নাচে ভালুকী ভালুকে
বৰ গঁড়ে গাজনী গাজে।
বৰ বৰ গছে সভা পাতি আছে
নাই লেখ-জোখ তাৰ
ক'ত জীৱ-জন্তুই কাচনে কাচিছে
নতুন নোম সলালে গাৰ।
আইঁতৰ গুৰিতে জলপানি লৈ
ভাগৰ কৰিলে শাঁত
বৰ ওজাই মন্ত্ৰ জাপতে বান্ধিলে
দবা নাহৰৰ গাত।

ঘুৰি ঘুৰি উৰি শেন শগুণে
দহোদিক ৰক্ষা কৰে
নাৰদ মুনি ধনেশ পক্ষী এ
দূত দুতীপনা কৰে ।

*   *   *

কইনা ঘৰলৈ

হন্ হন্ কৈ বাইদেউ যায়
মুখত নাইকীয়া মাত
লহ লহ কৰি লাহতি লতাই
আগছি ধৰিলে বাট ।
"কৰেনু পৰা ঐ লাহতি সখিতী
আহি পালি এই ঠাই
কইনা ঘৰীয়া বিয়াকে নিবলৈ
আছো তোকে বাট চাই ।"
আলি কাষত বৈ কতনা লতাই
কিজানি কথাহে কয়
চৈতালী বা লাগি চঞ্চল ৰতনে
উলটি উলটি ৰয় ।
গল মেলি মেলি আক কত লতা
বহাগীৰ বিয়ালৈ যায়
হাত মেলি মেলি দালে পাতে ধৰি
চুপতি চুপতি কয়—

"বৰিম তোকে ঐ অজলা দনাটি
আহিলো দুৰণি বাট
ফুলাম গামোছা পিন্ধাই তোকে ঐ
ফলৰে পাতিম হাট্।"
সাত বৰণৰ পখিলা উৰিছে
থুপ বান্ধি বান্ধি গায়
ঠগ ধৰি ধৰি থেহ পাতি বহে
ন জী শহুৰীক যায়।
জাক পাতি পাতি আৰু ক'ত সখি
বিয়াৰ বনগীত গায়
ৰিন্ ৰিন্ ৰিন্ জিলি বাপুকনে
লগতে বাঁহিটি বায়
চিত্ৰিণী বিত্ৰিণী আৰু কত জনী
আদি আনন্দত ভোৰ
প্ৰকৃতিৰ-গহনা কবিৰ কল্পনা
সৃষ্টিৰ বাসনা ঘোৰ।
ফুলে ফুলে পৰি কাণে কাণে কয়
নুশুনা নুবুজা মাত
মৌ-কোহ বিচাৰি লুকা ভাকু খেলি
চেতনা হেৰালে গাত।
অকলশৰীয়া একো একো জনী
তল ওপৰকৈ নাচে
গুপুত কথা কবইলকে হেনো
তাইৰ ও কিবা যে আছে।
"পাতৰ আঁৰত লুকাই থৈছো
আমা-ডিমা ঢাকা মোৰ

ৰাতি পুৱালে উঠিৰ জগি ঐ
কেচুৱা পোনাদল মোৰ।"
"গাগিণী সখিয়ে প্ৰেম-পত্ৰ লিখে
বোকোচাত বান্ধি থয়
উদ্ভিদ প্ৰাণীৰ প্ৰণয় বিহাৰ
বিজ্ঞানৰ গীতকে গায়।
এনে এটি ক্ষণ পশ্চিম আকাশে
সাজিলে ৰাণীৰ সাজে
ৰঙিন ওৰণী নাকলৈকে টানি
হেঙ্গুলী ৰহনে ৰাজে।
কইনা ঘৰৰ পদূলীত উঠি
মুখৰ হেৰাল মাত
গীত জোকাৰৰ উৰুমী উঠিল
বহাগী বনৰ গাত।
কইনা ঘৰীয়া সৰু ৰভাখন
কিনো বিতোপন বন
কুঁহিপাতে ফুলে কেনেনো শোভন
চালে চকুৰোৱা থন।
মাধবী লতাই ওৰণী টানিলে
বননী কইনাৰ গাত
ৰমকী জমকী জমকি উঠিল
আইদেউৰ সাচনি পাত।
মাখিয়তী বাই বিহাখনি দিলে
কাটুৰী মেখলাৰ ফুল
কদম ফুলেও হাঁহি মাৰি কলে
"আমি দিম খোপাতে ফুল।"

কপৌৰে পিন্ধালে থাকু, মণি মুঠি
গলপতা, কাণৰে তুল,
কইনা কলীয়া গাওঁৰহে ছোৱালী
সঁচাকৈ বুজে তাৰ মোল ।
থগ ধৰি আছে বৰ কল জুপি
কইনা সুৰাব য'ত
মৌ পিয়া সখি পিতিক্কি চাইছে
কলফুল ওলাব ক'ত ?
কু, কুউ, কুউ কপৌৰে মাতিছে
বিৰহৰ বেদনা গাই
কুহু কুহু কুহু কুলিয়ে গাইছে
প্ৰেমজুইৰ উমনি পাই ।
কোনোবা দেশৰ কঠাল গুটিয়ে
আজাৰ ফুলক যায়
মাদাৰ ফুলৰ বুকু ফাটে হায়
তাৰ কিয় গোন্ধ নাই ।
আমৰ গছত হেৰোৱা পখীটি
উলাহতে গীত গায়—
কলিয়া ভোমোৰা কৰবাত দেখি
থমকি থমকি ৰয় ।
মহুৱা-বননি মৌ ৰসে ভৰা
আমোল মলাই যায়
মধুকৰী তাত ওমৰ খয়াম
পিয়লা ভৰাই খায় ।
ভিন, ভিন, ভিন্ মাখি মৌৰজাক
বগৰী গছত ৰয়

পিন্ পিন্ পিন্ পোক পকৰাই
কিবা সাঁচি সাঁচি থয় ।
কন্ কন্ কন্ গজালি মেলিছে
কঠিয়া তলিৰ বন
চিক্ মিক্, চিক্ ওপঙি ফুৰিছে
সোণালী পকৰা ঘন ।
এদৰা মেঘনি ধৰিলে ওৰণী
মখমল ৰূপীয়া ৰং
তুল বুল তুল তপনে ধৰিলে
ৰঙালাউ ফুলায়া ঢং ।

হঠাতে দেখোন বিয়াৰ মচ্‌গুল
থিতাতে নিতাল গল
গধুলী আবুই ওৰণি টানিলে
কইনা হেৰাই গ'ল ।
এই চেগতে অতিথি আলহি
ঘৰাঘৰি বাট লয়
টিলিঙা ওজাই পদুলি মুখত
ভূত খেদা গীত গায়—
"গোধুলী গোধন আছে নাৰায়ণ
স্নানিয়া শীতল জলে
অসমী আইক টেঁটু চিপি ধৰে
আচহু ভূতৰ দলে"
শিয়ালী মাহীয়ে এঙ্কাৰিত বহি
থলুৱা গীতিকা গায়
হুৱা-হুৱা কৰি মুখা মুখিকৈ
কি জানি মেলত হে বয়

একনীয়া পেৰা ঘৰমুৰা হৈ
গাওঁৰ ফালে বাট লয়
পিঠিত উঠি গৰখীয়া কায়
পেপাঁটি বজায় যায়।
পেপাঁৰ মাতৰ আঁৰে আঁৰে
দুবৈৰ পৰা আহে
খিনিকি খিন্দো ঢোলৰ লগত
সঙ্গীত ভাহি আহে।
খিমিক-থামাক ফালা বাঁহৰ
জাপ খেমেকা বাজে
ডেকা গাভৰুই আজি কি জানি
বিহু তলীত হে মজে।
যাওঁ নাযাওঁ কৈ আগুৰাই যাওঁ
গুনু গুনু গুনু
এপৰৰ বাট আগুৰাই গৈ
ভূতৰ দল পাই গলু।

নাছে ঐ ভূতুনী ভূতৰ লগত
দেওলগা গীত গায়—
গীতৰ ৰাগিত তত নাই গাত
বাটৰুৱাই বেঢ়ি চায়।
হুৰা মুৰাকৈ হুচৰী ধৰিলে
বৰ বেজক মাজতে লৈ
পোহাৰী ৰতনে মনতে গুনীলে
মনজুই মাজুহক খায়।

* * *

গীত

"বুনৰে বুন ভাঙ্গি কৰেনু পৰা ঐ
ওলালি টিলিঙা কায়
পোহাৰী ৰতনক লগতে আনিলি
কিহৰ উচতনী পাই।"
বিহুৰে বিৰিণা ভাঙ্গিলে হৰিণী
পচোৱা বা চাতি খাই
বনৰ পখিলী কিৰীলি মাৰিলে
বিহুৰ ৰং চিতিকি যায়
দল ফালি ফালি একো একো জনী
বুকু ভাঙ্গি ভাঙ্গি যায়
ৰিঙীলি ৰিঙালি ডেকা গাভৰুই
লগতে হুচৰী গায়।"

ঐ বাহিৰে ভিতৰে চাটি ফুটি কৰে
তগ্‌ৰগ্ কৰে ঐ মন
কাৰে ঐ ভাবনাত দগ্‌মগ্ কৰে মোৰ
কলিজা খুলিয়া মন।
কওঁ নকওঁ কৰি মনপুৰ মেলিম ঐ
আৰু নো সাচিম ঐ কি
চেনাইৰ আগতে সকলো ভাঙ্গি কম
হিয়াকে উবুৰাই দি
দিউ নিদিউ কৈ সকলো সপি দিম
চেনাইৰ বুকুতে বৈ
মৰম আবেগ ঢালি সাৱতি লব ঐ
পমিব বুকৰে জুই।

মিলন মাধুৰী লহৰী উঠিব
চঞ্চল উৰ্ম্মিকে লৈ
চেনাইৰ লগতে সেই ঢৌ বাগৰিম
জীৱনৰ ডিঙাটি বাই
কামনা শৰে মোৰ কলিজা ফুটালে
তেজ ৰং সানিলে ঐ
জীয়া নৈ ভৰলীৰ সোঁতত উটি যাম
বোৱঁতী সুঁতীতে বৈ ।

* *

চেনাইৰ বুকুত জাগে উথল মাথল মন
প্ৰাণবন্ত বীজ সুচেতন
বোধনৰ গীতি শুনি তপস্যা ভাঙ্গি উঠে
মুনীবৰ তাপসী প্ৰধান ।
হিল্‌দল ভাঙ্গি আহে ৰাৱনৰ শক্তি জাগে
কাক ক'ত নিব পলুৱাই
প্ৰকৃতিৰ মায়া বন কপি কপি উঠে ঘন
ফুল চিঙি নিয়ে কোনোবাই ।
যুগ যুগান্তৰ ধৰি তৰাং নদীৰ বালি
উচুপি উচুপি কান্দে বৈ.
বুকৰ দহন শিখাই দহি পুৰি কৰে ছাই
পোৱণিৰ ফিৰিঙ্গতি লৈ
শুকান বালিত আজি বোধনৰ গীতি লাগে
আহে বৰষাৰ ধল নামি
লাহতী লাহৰী সখি বৰষাৰ মেঘালীনি
চকি চকি উঠে ঘামি জামি ।

"মোৰ যৌৱনৰ ঢল হাঁহি উঠে খল খল
ভৰানৈৰ পাৰ ভাঙি যাক
কাক ক'ত উটুৱাম থান্ থিতি নেথাকিব
হৰি লৈ যাম প্ৰেমিকাক—"
"সোঁণৰ হৰিণী সখি আউলী বাউলী কেশী
কিনো দুখ পালা আজি ক'ত
বিহুৰ গীতৰ ৰাগীত পাপৰি-পৰাগ সানি
প্ৰেম মধু ঢালি দিলা মোক" ।

ছাঁয়াত মায়া দেখি সপোনৰ সখি খেদি
চকা-মকা বীৰ সৌৱা কোন
ভীমবেগে আগুৱাই চেনেহীক লৈ কয়
"আহা মোৰ মৰমৰ সোণ" ।

*　　　*　　　*

বননিতে থাকে বৈ গাড়ী থাকে সাজু হৈ
চৌ মাৰি তুলি লৈ যায়
সখিয়াই খেদিয়াই পাছে পাছে গেৰিয়াই
"সখিয়াক কোনে লৈ যায় ?"
মায়াবিনী ৰং চায় প্ৰেম নৈ বৈ যায়
ডেকা সবে হাহি মাৰি কয়
"চেনেহীক চুৰ কৰি চেনাইয়ে লৈ যায়
আজি সখি আমাৰেই জয় !"
সখিয়ালৈ বুলি কয় চেনেহীয়ে লাহিকৈ
"ভয় নাই নাই সখি ভয়

উৰুলী দিয়া সখি অজান দেশক যাওঁ
চেনাইৰ লগতে মিলো গৈ ।”
“লাজতে মৰি যাওঁ চেনেহীৰ কথা শুনা
আহা সখি উৰুলীকে দিওঁ
“টিলিঙা আতৈক কৈ জাৰা ধুলি মুঠি মাৰি
খোৰা খুবুলীকো বান্ধি থওঁ ।”
“ফুট্ চাহি ঠুন পাক্ লেঠা মাৰু ফিং ফাক্”
বৰ বেজে ধুলি মাৰি গায় ।
সুদূৰৰ গাড়ী আহি অদূৰতে ৰয় আহি
বৰ ওজাই গাড়ীত উঠি কয় ।
“নাতিয়াৰ সমদল অসমীৰ প্ৰাণ বল
লোৰাচো আশীৰ্ব্বাদ দিওঁ
দেশখন বান্ধিবলৈ লাহুতী ৰতনক লৈ
মই আজি উৰুলীকে যাওঁ ।”

* * *

ৰংমতি চেংমতি আচংলা ভানুমতী
নিৰুপমা মনোমতী ৰাণু
সকলোৱে মিলিজুলি আনন্দৰ ধ্বনি তুলে
উৰুলী জোকাৰ গীত শুনু ।
ৰংঙতে কিৰীলি উঠে টিলিঙাৰ জয় মাতে
বিহুতলী ওলগনি গায়
লাহুতীয়ে চকুমোচে গাড়ী গুছি যায় বাটে
ৰতনক ভাবুকনী খায় ।

ৰতনে ভাবে

দেশৰ ভাবুক ৰতনে ভাবে ঐ
অসমৰ কি ধন নাই
তথাপিও কিয় মনত ভয় লাগে
সঁচাকৈ কিবা যেন নাই ।

কুলী কেতেকী মইনাই বিনায় ঐ
মুকুতাৰ টেকেলি নাই
বুনৰ জুই আহি ঘৰকে পুৰে ঐ
থাপনাত পেৰাটো নাই ।

উজনি নামনি এদালি গছ ঐ
আগগুৰিত চিনাকী নাই
বিজাতী কুঠাৰে গছকে কাটে ঐ
গা-গছৰ ততকে নাই ।

অসমৰ কবিয়ে কিনো গীত গায় ঐ
মাতৃৰ মাঙ্গল্য নাই
আমাৰ বুঢ়ী আই কি সাধু মাতিলি
শুনোতা নাতিনী নাই ।

দা-ডাঙ্গৰীয়া কি পাৰা পাৰিলি
আচহুক লগতে লৈ
বৰ-মূৰীয়া কি ভেমত বহিলি
পশ্চিমা-লগুৱা পাই ।

দেশৰ পিতা হৈ সন্তানক কি দিবি
নিজৰে স্থাপত্য যায়

তোৰে সন্তানে প্ৰেৰণা ক'ত পাব
পিতা-পোৰ ঐক্যতা নাই।

দেশৰ গুৰু ঐ জ্ঞান কি বিলাবি
আত্মজ্ঞান তোৰে চোন নাই
দেশৰ কৰ্ম্মী ঐ কি কৰ্ম্ম কৰিলি
আইৰ মুখ উজলা নাই।

শিশু সাহিত্যত কি পাঠ লিখিলি
শঙ্কৰৰ বন্দনা নাই
আধুনিক কবি ঐ কবিতা লিখিলি
আমি তাৰ মোল বুজা নাই।

আধুনিক গায়কে কি গীত গায় ঐ
লোক-গীত মৰহি যায়
দেওধা, দেওধায়ী কতনো পলালি
আধুনিক নাচনী পাই।

শিল্পী কলাকাৰ কি ছবি আঁকিলি
সুন্দৰৰ পূজাচোন নাই
নিজৰ ভেমতে নিজে ওকন্দিলি
ওন্দলা মুখকে চাই।

প্ৰেমিক বলিয়া কি প্ৰেম কৰিবি
বাহুত মাংস পেশী নাই
গাভৰু আইটি কেনেকৈ মুহিবি
তেজৰে ফুটুকা নাই।

ডেকা-ডেকেৰী বিন্ত ক'ত পাতিবি
মাটিও নোহোৱা হ'ল
অসমীৰ মূৰৰে খোপাকে টানিলে
চীনেও নিচিনা হ'ল।
চেনেহৰ ডালিমী কি ঠেহ পাতিলে
হেমহাৰ ছিঙি দি গ'ল
বিজাতী কুকুৰে খামুচি খালে ঐ
পাতুকা চেলেকি ৰ'ল।

দেশৰ নায়কে কি দেশ চলাব
মানুহৰ মন বুজা নাই
সমাজ সেৱী ঐ কি সমাজ গঢ়িবি
হিংসা বৃত্তি যোৱা নাই।
দেশৰ ভাবুকে কি ভাব ভাবিব
মনৰ অবাধ গতি নাই
আমাৰ গ্ৰন্থকাৰে কি গ্ৰন্থ লিখিব
লাইব্ৰেৰীত নামটো নাই।

মহন্ত-বৈষ্ণৱে কি ভক্তি কৰিব
ভেদনীতি ভক্তিকে খায়
অসমৰ ধনীয়ে ধনৰ মোল কি বুজে
সৎ-কাৰ্য্যত ধনৰ দান নাই।

আমাৰ চহা ঐ কি চহ কৰিলি
দুবেলা খাবলৈ নাই
দেশৰ বুদ্ধিজীৱি কি বুদ্ধি পাঙিবি
মগজু চহোৱা নাই।

হিয়া খুলিয়া কিনো মাত মাতিলি
আচহু ভিখাৰী কাই
ভুলালি যেনেকৈ চলাহী কথাকৈ
গাঁঠি ধন স্থলকি যায়।

আমাৰ দুখীয়া কিনু আপদীয়া
কপালক খিইয়াই কয়
"তোৰে যদি নাই মোকনো কি দিবি
থাকিম তোৰ মুখকে চাই।"

আৰু চাচোন কি গুণ আছে তোৰ
ভিখাৰী ভেশ তোৰ নাই,
বেবেৰী-বাংকৈ ভুলাব নোৱাৰ
কোনে তোৰ মুখলৈ চায়।

আচহু বণিয়া কি বেপাৰ কৰিলে
মনৰ বল কাঢ়ি লৈ যায়—
সঁচাত মিছা সানি মিচা তুলা ধুনি
জীৱনকে গুাহ খায়।

দোকানি পহাৰী কি লাভ ঘটিবি
হিচাবৰ বহীটো নাই
টোকোনা বেপাৰী বাণিজ্য কৰিবি
মূল-ধন হাততে নাই।

যৌথ ব্যৱসায় কেনেকৈ চলাবি
মনক ঠেক বৃত্তিয়ে খায়

আনৰ দোষ গুণ খুচৰি ফুৰোতে
জীৱনে মৰহি যায়।

ভোজ-বাজী চাই কেনেকৈ থাকিম ঐ
অচিন ভূতেচোন খায়—
দেশৰ ভূতেও আতুৰত কৈ উঠে
"আমাৰো থকা ঠাই নাই।"

ভাবনা ভাবতে দেখে যে ৰতনে
গাড়ীখন হঠাতে ৰয়—
চিপাহী দুজনে আৰোহীৰ টুপলি
পিতিকি পিতিকি চায়।

টিলিঙাৰ লগতে পোহাৰীকো দেখি
সেৱাৰে আদৰি কয়—
"নেলাগে নেচাওঁ এই টুপলিটি
জানো ইয়াত একো নাই।"

টিলিঙা কৰবাই বাটতে নামিল
জেবেঙা পথাৰ পাই
চিপাহীক আচহুই মিমতি জনালে
"বৰ ওজাৰ বহুৱা মই"।

অচিন মাইকী এজনী নামিল
পহাৰীৰ লিগিৰী হৈ
গাগৰী গুচি যায় আমাক এৰি থৈ,
ভিখুক শদিয়া পায়।

আমি সকলোটি আগবাঢ়ি যাওঁ
বিচাৰি জিৰণি ঠাই
পাচফালে ঘূৰি দেখি চকু খাও
বহুরা লিগিৰী নাই।

আইঁতৰ গুৰিতে জিৰণী পাতিলো
কেচা তামোল-পান খাই
ৰতনে উলাহত জোনাকী চাবলৈ
কঁহুৰা বনলৈ যায়।

*   *   *

বুৰ ওজা আতৰি নাম জপ কৰে
আচম্বিতে উচপ খাই
পোহাৰী ভনীটি চিঞৰি উঠিলে
"আহ ঐ ভূতে মোক খায়।"

নাড়ী চাই দেখে সংজ্ঞা নাই গাত
চকুই মুখে কিবা চং
সু চতুৰ ওজাই মনতে গুণিলে
অচিন ভূতৰহে পাং।

ক্ষন্তেক নবৈ বেহেৰ মুঠি লৈ
কানতে মাৰিলে টিপা
"চাম আজি মই ক'ৰ ভূত আহিলি
উঘালি পেলাম শিপা।

হুংকাৰ চাৰিলু মাৰ ঐ গোসানী
ভূওক টেটু চেপি ধৰ
লাহতীৰ গা এৰি 'ক' বিতং কৰি
কত তই পাতিলি ঘৰ ।"

আই ঐ বোপাইঐ সমূলে মৰিলো
এৰি দিয়া ককাই যাওঁ
প্ৰাণে নামাৰিবি মিনতি কৰিলো
মোৰ জীৱন কথা কওঁ।

আচহুৰ লগতে পালোহি ই ঠাই
আফিঙৰ মোনাটো পাই
লিগিৰীৰ পেটতে আছিলো লুকাই
গাঁঠিতে চেপেতা খাই ।

চিপাহী দেখা পাই ভয়তে মৰো মই
সোমালো পোহাৰীক পাই
নেজানি কৰিলো এনে মহা দোষ
ক্ষমা কৰা ওজা কাই ।

আৰু মোৰ থকা ঠাই জানিবি ককাই
সকলো বিবৰি কওঁ
বৰ বৰ সমাজক পাড়ীত উঠি যাওঁ
কানীয়াৰ ঘৰলৈ যাওঁ

ভেজাল বস্তু থাকে গুপুত গুদামত
লুকাই লুকাই তাতো ৰওঁ

মায়াবী বেপাৰীৰ জাল কাৰখানাৰ
ঔষধত বৰ বিহ থওঁ।

অসমৰ মানুহৰ পেটত বৰ জুই
সকলো বস্তু জীণ যায়
কদাচিৎ হে যদি মিছা ঔষধত
ছুই এটা যমলৈ যায়।

কলো মোৰ বন্ধুতে জীৱন বৃত্তান্ত
কলিয়া ভূতুনী নাম
পূৰ্ব্ব ভাৰতত বেচিকৈ ঘুৰো মুই
কলিকতাই মুখ্য ধাম।

মোক খেদিলে কি হব ককাই ঐ
থাকিল আৰু বহুভূত
স্বভাবতে তোৰ সকলো থাকে শুই
কেনেকৈ সলাবি মোট

সাহতিৰ মুখতে এনেকৈ কথা কৈ
কলীয়া ভূতুনী যায়
লৰাব নোৱাৰে অঙ্গ-প্ৰত্যঙ্গ
বিষতে জীৱনটো যায়।

খণ্ডতে টিলিঙাই কিৰি মিৰি কৰে
চকুৰ জুই ছিটিকি যায়
বৰাৰ দাঁত এটা লৈ খুকুটি খুকুটি
পিশাচক হানিব যায়।

পিশাচ-পিশাচি সবংশে বধিম এই
কি সাহত লখিমীক পালি
হুঙ্কাৰত উংঙ্কাৰী ফুংঙ্কাৰী উঠিলে
"কালী-চণ্ডীৰ মূৰ খালি ।"

কিৰিং কিৰিং কৰি চিঞৰি ৰাখৰি
লাহতীৰ মুখতে নাটে
"এৰি দিয়া দেউ কাৰটি কৰিলো
গুচি যাও ভাল মতে ।"

আমি তিনি বৈৰী বৰ অভাগিনী
পৰৰ ওপৰত থাকো
স্বভাব দোষে পালে মনত গদি পাৰি
পাতো বিচিত্ৰ সাকোঁ ।

"মই ডাঙ্গৰ জনী কপাওঁ মেদিনী
পৃথিৱী ঘূৰি মই যাওঁ
ধৰ্ম্মৰ ধৰণী কৰ্ম্মৰ কৰণী
ৰাজ-নীতিকো লুকাই থওঁ ।

আমাত মিছা দোষ আচৰা ককাই
অনাথক হে তুলি লওঁ
স্বধৰ্ম্ম নাপালে জাতি কুল হেৰালে
ভেটিয়াহে আমি পাওঁ ।

পৰ্ব্বতে ভৈয়ামে বগাই ফুৰো মই
আকাশে-বতাহে উৰো

বাণিজ্য শিপিনী পানী জান বাই
সাগৰে-নগৰে ফুৰো ।
* * *

কলঙ্কিনী (মাজু জনী)

মই কুহকিনী কৃষ্টি কলঙ্কিনী
তহঁতৰ কাষতে ঘৰ
ক'তো ঠাই নাপালে অসমীকে ধৰো
অসমক নকৰো দৰ ।
বৰ বৰ নগৰৰ অলি গলি বাই
বিচাৰি ফুৰো নই বৰ
ঘৰৰ বোৱাৰী জীয়াৰীকো বেঢ়ি
পাতি লওঁ নিজৰো ঘৰ
হব যেন ভাবিলে ভৰিৰ ধুলি লওঁ
লেপেতি সেপেতি পৰো
হলে বা নহলে ' তোৰে মূৰতে উঠি
পতিতাৰ শপনি ধৰো ।
পুৰণী স্থাপত্য মোৰো বেচি নাই
আলেঙি-আলেঙি ফুৰো
সঁচাক মিছা কৰি হৰণ পুৰণ ক'ৰি
কৃষ্টি পেৰা বহুল কৰো ।
কল্পনা বিলাসী . মই মায়াবিনী
সপোন সাম্ৰাজ্যৰ ৰাণী
বৃহত্তৰ কল্পনা সততে কৰো মই
নাজানা জানিও জানি ।
* * *

নিশাস্তী

"মুই সরু জনা নিচেই আজলী
নিমাতি ভুতুনী নাম
গুণটো এৰি দে তেতিয়াহে কম
দেশৰ হৈ কৰো কি কাম।
মোৰ ও বিলাই বিপত্তি কি কম,
প্ৰাণে নমৰি আছো
অচিনাকী ভুতে মোকো কুটি খাই
পোহাৰীক পাইছে বাচোঁ"।

"অ' আমাৰে ইজনী আপোন ঘাটিনী
তোৰ মই সকলো জানো
সোন গুই শাঁখিনী মন গুই বাঘিনী
তোতো গুণ এপালি সান্ধ।
বৰ বৰ বকৰাৰ দিনৰে এপালি
ঔষধ ৰাখিছো মই
তাৰে এটা বৰি হিংসানি আৰু
চেলোক খাবলৈ তই।
এই পিশাচিনী নিজৰে ভুতুনী
বাকুকৈ শিকালি মোক
পুৰাণ কলিহা চিনাকী যখিনী
দেখি ঘিণ লাগে তোক
অতীতৰে পৰা কিমান নো জ্বলালি
আজিও নমৰি বলি
অকৰাৰ গাত বাত-পিত্ত সানিলি
দেশখন, তললৈ নিলি।

কৰবাত এবাটি অমৃত দেখিলে
তাতো মিঠা বিষ দিয়
সন্তানে মাকক ভাল পোৱা দেখিলে
আঁতৰাই আঁতৰাই থৰ্।
অতীতৰে পৰা কতনা সুকামত
বিধি-পঠালি দিলি
আজিকোপতি কুমতি নেৰিলি
তাতেহে মৰো মই জ্বলি।

সাৱধান নিমাতী তোকো খোদম ঐ
নহলে আনে কি কব
তই এৰা দিলে আনক বলে পাৰিম
তেতিয়াহে দেশ ৰব।"

"উহুঁ হুঁ নেযাওঁ কলৈ কেনি যাও
ঘৰ এৰি কেনেকৈ ৰম
লাগিলে লাগক জীৱনটোৱে যাক
তোমাকে বৰিলো যম।

এনে বিতোপন তামোল-বাৰীখন
কেনেকৈ এৰি মই যাওঁ
অইন দেশৰ ভূতক নেলাগে
মানুহকে ভয় খাওঁ।"

"থাক 'ক'চোন এৰিবিনে তই
স্বভাৱৰ সকলো দোষ

পুৰণি নেলাগে ক বিতং কৰি
নতুনৰ কিহলৈ মোহ ?”

“নতুনৰ ভুং পালে গা মাৰি উঠো মই
আলুকৰ জ্বালা তাত নাই
ফিৰিঙ্গীয়া মেল যতে শুনো মই
তলক মাৰি থাকো বৈ।
নিজৰ সকলো পুৰাণ পুৰাণ লাগে
অইনৰ লাগেও ভাল
আপোন জনকো দেখি বেয়া লাগে
সিহঁতক লাগে ও ভাল।
ধনৰ মোনা খন মিছাকৈ দেখুৱাই
মোৰো মন মুহুৰী খায়
সিংখাপ সোলোকাই লাইলন লবলৈ
পখীয়া মন উৰি যায়।
জানো মই সকলো বুজো মই সকলো
তথাপি যেন কিবা নাই
আচহুৱ কবলত পৰিলে কিন্তু
সকলো বুদ্ধি লোপ পায়।
জাকুৱীয়া দেও আৰু আছে দেউ
আশে প্যাশে ঘূৰি ফুৰে
দলৰ দলুৱা থলৰ থলুৱা
স্বাৰ্থ নীতি টানি ধৰে।

* * *

"যা ধুলি উৰি আন বান্ধি ধৰি
জাকুৰীয়া যত্নে থাক
দিবহি চিনাকী উভালি গছকে
টান গুণ মাৰিলো পাক"
বান্ধি ধৰি কিয় আনিলি দেউতা
কঙ্কালত টঙালি দি
আমিতো নোৱাৰো উভালিব গছ
উচতালে হব কি ?"
"এইটো নোৱাৰ, সেইটো নোৱাৰ
কচোন তহতে পাৰনো কি
সবংশে মৰিবি ৰসাতলে যাবি
কি গুণে আৰু নো থাকিবি জী।
জগতৰ দিন কাল কেনে বিগতিক
দেখিও নেদেখা কিয়
কোবাল বতাহত উটি বুৰি যাবি
থেকিও নিশিকা কিয় ?
চাচোন কোনে সৌ কি বন্তি জ্বলালে
তৰাৰ বুকুত লাগে জুই
বিজ্ঞান, শলিতা আকাশত জ্বলে
সখী যে অসীমক যায়।"
"হুম্ হুম্ কৰে কত গুম্ গুম্ কৰে কত
কিয় চকু মেলি চাম
আমি পুৰাণ ভূত অসমৰ খোদ
নিতালি টোপনীত ৰম।"
চিত হৈ নহলে মনৰ আলে জালে
কাতি হৈ পাচ দি শুম

বিজাতী কুকুৰৰ চেলেকনি পালে
কেঠাদি গড়ালত ৰুম ।

অ' জানানে আতৈ দলপতিবোৰ
সুদূৰত যাৰ কক্ষ
তেৰা সবলোক সর্ব্ব সিদ্ধ কাম
ভজিলে হোৱয় মোক্ষ ।
অজ্ঞান আন্ধাৰে মুহিছে আমাক
জানিলো স্বৰূপ পক্ষ
কলা কৃষ্টি ভাষা সকলো এৰিম
ত্যজিবো মাতৃৰ অঙ্ক ।
শুনি ধম্বন্তৰি আতি অনন্তৰি
বিষম গুণন্ত মনে
সঙ্কটৰ কাল ভৈল উপস্থিত
ধৰিল ভূতৰ গনে ।
সর্ব্ব ভূতগণ একত্র কৰিয়া
জোলোঙাত পুৰীয়া থৈল
নিশি অবসান্তে পানীত বুৰাইয়া
মাৰিবে আলচ কৈল ।
এনেটি ক্ষণত দিগন্তৰ ডাক
ফকিৰে আজান গাইল
পুৱঁতী তৰালৈ মুৰ দোওৱাই
পোহাৰী ভনীটি বৈল ।

* * *

ৰতনে জোনাকী চায়

কাচি জোনাকীৰ বগা কলা খেদি
ৰতন বনলৈ যায়
কিবা চকা মকা কৰবাত দেখি
ওপৰলৈ ঘূৰি চায় ।
ৰূপৰ সাগৰ ঢৌ তলৰ্‌বল
ৰতন বাগৰি যায়
নিশা ননদিনী ওৰণী গুচাই
সৰগৰ কইনা চায় ।
জোনালী ৰাতিৰ ৰূপহীনো কোন
অষ্টমী তিথিৰ জোন
বলিয়া ভাবুক ভুলকৈ যায়
বুটলিব কেচা সোণ ।
অচিনাকী কোন ওচৰতে দেখি
জোনাই এ লাজতে কয়
"নাহিবাচো মোৰ আৰু কাষলৈ
লাজেতি কাপোৰ নাই"
বুকুৰ লাজেতি তৰাবচা খনি
উৰি উৰি উৰি যায়
দূৰলৈ আৰু আৰু দূৰলৈ
মিলে হাতীপতি পাই ।
এটি দুটিকৈ তৰা ফুল ফুলি
জিকি মিকি কৰি ৰয়
তল-সৰা এটি কহুঁৱা জলিত
চেনাই এ বুটলি লয় ।

* * *

ক্লান্ত কহুঁৱা বনৰ মাজত
স্থষ্টিৰ ৰাঙলি পট
অনাদি মোহন কথা বিত্তোপন
চেনাইৰ বলিয়া মাত।

"খুলিদিয়া মোৰ ষোড়শী প্ৰিয়া
ৰূপৰ মদিৰা পিবলৈ দিয়া,
নওঠা ৰূপৰ জলক সানি
জীবন তৃষ্ণা মিতাব দিয়া।
তোমাৰ অঙ্গৰ পৰশ লাগি
জীৱন আকাশ ফুলি উঠক
তোমাৰ ওঠৰ তপত চুমাত
বিশ্ব কৰ্ত্তাই স্থষ্টি পাতক
তোমাৰ বিহাৰ কঠিন পেঁচত
বিজ্ঞানে পাত মুকলি কৰক
তোমাৰ উদং বুকুত বাজি
মহান তত্ত্বই ব্যাখ্যা লভক।"

"তুমি এ এদিন দিছিলা মোক
মোহন বীনা লাজৰ চক
সেইয়ে হে মই তোমাৰ প্ৰিয়া
মন হৰিণী পাট-গাভৰু।
লাজৰ পেচত ভৰি আছে
মাণ মাণিক মুকুতা-মালা
তোমাৰ ৰং তোমাতে সানো
চিত্ৰ আকো প্ৰণয় মেলা।

তুমি দিয়া সেই পেৰাতে
সৃষ্টি তত্ত্ব লুকাই থওঁ
আচুল ঢাকি কাচি ৰাখো
ৰূপ মাধুৰীৰ সঁফুৰাটো
যতন কৰি সাঁচি ৰাখো
সৎ অসতৰ তথ্য লুকাই
সেই পেৰাতে সজাই ৰাখো
প্ৰেম মদিৰা পিয়লা ভৰাই
তাৰে এঢোক ঢালি দিলে
জীৱন-তৃষ্ণা মিতি যাব
আৰু এপেচ খুলি দিলে
পৰম ক্ষুধা অন্ত হব ।

প্ৰেমৰ ৰাগিত কৰিবা খেলা
মায়া সাগৰ নিতাল যাব
প্ৰণয় কাঁড়ৰ শূলত লাগি
মন চৰাইও তন্দ্ৰা যাব
মায়াবিনীৰ জালত লাগি
প্ৰাণ পখীটি থিয় হৈ ৰব ।

সেইয়ে হে কওঁ প্ৰিয়তম্
মোৰ প্ৰাণৰ এটি কথা
ৰূপ অৰূপৰ বিচাৰ নাই
মোহ নিদ্ৰাত শুই থাকা
তথাপি যদি চাবঁ খোজা
তোমাৰ কপট নিদ্ৰা যাব
মহান তত্ত্বৰ ভেদ ভাঙিব
সৃষ্টি তত্ত্ব নাশ হৈ যাব”

“নহয় বাধা নিদিবা প্ৰিয়া
কোনো বাধা নামানে .প্ৰাণে
নিজে ৰচা সৃষ্টিৰ মেলা
ভাঙ্গি কৰিম নতুন খেলা
যদিও তুমি মোৰেই ছায়া
মোৰে জীৱন কাব্য মায়া
সপোন ৰাগি ভাঙ্গিব দিয়া
চাও সত্যৰ নঙঠা কায়া ।
নতুন ৰাগি নিদিবা আৰু
নিজৰ পাওনা পুৰাই লও
প্ৰেমৰ পিয়লা ফিৰাই নিয়া
নিজক নিজে চাই লওঁ ।

* * *

সৃষ্টি তত্ত্ব

বহাগী নটিনী দেও-তাল ধৰিলে
মেখলা স্খলকি গ’ল
বৰষাৰ-তটিনী স্ৰাবতি ধৰিলে
মেঘনী দৰাতে ভোল ।

নিলাজ লাজেতি পিচলি পৰিল
বুকুকে উদঙ্গাই গ’ল

মৌ পিয়া সখি চুহি চুহি খালে
কলফুল বাউলী হ'ল।

লাজুকী জোনাইএ লাজতে লুকালে
শিল্পীৰ চকুতে ৰ'ল
চেগতে চেনাইএ চুমা এটি খালে
সানিলে মৰম বোল।

মনৰ কথাটি মুখতে হেৰাল
সপোন সাবটি ৰ'ল
গভীৰ জলধি ওফন্দি উঠিল
আকাশ চুমিব গ'ল।

অৰূপৰ জুই প্ৰেমিক পাগল
প্ৰিয়া মিলনত ভোল
পচোৱা বতাহে গুটিকে সিচিলে
ধৰিত্ৰী জননী হ'ল।

পঞ্চ মহাভূত একাকাৰ হ'ল
বিজ্ঞান অজ্ঞান হ'ল
প্ৰকৃতি জীয়াৰী উকলি মাৰিলে
ধুমুহা আঁতৰি গ'ল
মায়াৱিনী মায়া আবৰি ধৰিলে
প্ৰকৃতিৰ জয় হ'ল

চৰিবচ তন্ত্ৰৰ চমক ভাঙিল
অজ্ঞান তমসা আকৌ নামিল
পৌৰুষ বন্ধন হল ।

* * *

উদয় গিৰীৰ আকাশ ফালি
নতুন পোহৰ উঠিল চানি
মাতৃ পূজাৰ সন্ধিক্ষণত
ফেচুলুকাৰ জয়ধ্বনী ।
নতুনৰ প্ৰাণ সঞ্চাৰ হল
উজলাই আইৰ হিয়া খনি
পুৰঁতী ভোটাই আশীষ দিলে
আজানৰ সুৰ ৰাগি টানি ?
মৰাৰ বুকুত জীয়াৰ চল
অসমত ৰব চিৰতি কাল
কালৰ কোলাত নিশ্চয় ৰব
উজ্জ্বল কৰি আত্ম বল ।
সেই চন্দৰে কম্পন লাগি
কণাৰ ভাষা বোবাই কয়
সুপ্ত-শিলৰ কণ্ঠ জাগে
ৰতনৰ ভাব স্পন্দন বয় ।

"আউসীৰ আন্ধাৰ পেলাম নাশি
ভীৰুতাৰ মূৰ পেলাম কাটি
পুৰণী ভেঁটা খান্দি কুটী

জ্বলাম জ্ঞানৰ নিৰ্ম্মল চাকী
মোৰেই দেশৰ কৃষ্টি ভেঁটি
শকতাই লম খুটি, পুঁতি
জ্ঞান ভক্তি কৰ্ম্মযোগৰ
সমন্বয়। থাপনা পাতি
নিদিউ কাকো কাঢ়ি নিব
আইৰ বুকুৰ সোৱাদ খিনি
ভবিষ্যতৰ সন্তানলৈ
ৰক্ষা কৰিম কৃষ্টিৰ খনি।

---

1. 11 69